# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-Nov-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

———————————————————

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মৰিগাঁও জিলাৰ মিকিৰভেটাত এখন ৫০ খন বিচনাযুক্ত আয়ুষ চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰাৰ লগতে মহিলা উদ্যমিতা অভিযানৰ অধীনত মৰিগাঁও সমষ্টিৰ হিতাধিকাৰীসকলক চেক বিতৰণৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানত ৩৬ হাজাৰ ৩৬৭ গৰাকী হিতাধিকাৰীলৈ ১০ হাজাৰ টকাকৈ উদ্যমিতাপুঁজিৰ প্ৰথম কিস্তিৰ চেক বিতৰণৰ শুভাৰম্ভ কৰে। এই হিতাধিকাৰীসকলৰ ৩২ হাজাৰ ৯৫১ গৰাকী গ্ৰাম্যাঞ্চলৰ আৰু তিনি হাজাৰ ৪২৬ গৰাকী নগৰাঞ্চলৰ। মুখ্যমন্ত্ৰীয়ে আজি মৰিগাঁৱত প্ৰায় ১৫ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া আৱৰ্তভৱনৰ আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে, চিকিৎসা বিজ্ঞাপন পৰম্পৰাগত ব্যৱস্থাৰ সম্প্ৰসাৰণৰ লগতে ৰাইজক বিকল্প স্বাস্থ্য সেৱাৰ সুবিধা প্ৰদানৰ বাবে আয়ুষ চিকিৎসালয়খন ১৫ কোটি টকা ব্যয় সাপেক্ষে ১৫ বিঘা ভূমিত নিৰ্মাণ কৰা হ'ব। আজি চেক বিতৰণ অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুবছৰ পূৰ্বে যোৰহাটলৈ অহাৰ সময়ত দেশৰ তিনি কোটি মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়ি তোলাৰ বিষয়ে প্ৰকাশ কৰিছিল। এই অনুসৰি ৰাজ্য চৰকাৰে ৰাজ্য চৰকাৰে অসমৰ আত্মসহায়ক গোটসমূহৰ লগত জড়িত ৩০ লাখ মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়াৰ সংকল্প লৈছিল বুলি মুখ্যমন্ত্ৰীয়ে কয়।

(বাইট)

ooooo

অসম আৰু অৰুণাচল প্ৰদেশৰ মাজত শান্তি-সম্প্ৰীতিৰ পৰিৱেশ সুদৃঢ় কৰি তোলাৰ প্ৰয়াসৰ অংশ হিচাপে অসম চৰকাৰৰ সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ উদ্যোগত ধেমাজি জিলা প্ৰশাসন আৰু প্ৰতিবেশী ৰাজ্যখনৰ নামনি চিয়াং জিলা প্ৰশাসনৰ সহযোগত সীমান্ত সমন্বয় সমাৰোহ আজি অনুষ্ঠিত হয়। ধেমাজি জিলাৰ চিলাপথাৰত আয়োজিত এই সমাৰোহত অংশ লৈ মন্ত্ৰী অতুল বৰাই কয়, যে দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সদিচ্ছা আৰু একান্ত আগ্ৰহৰ বাবে এই সমাৰোহৰ আয়োজন কৰা হৈছে। ইতিমধ্যে প্ৰতিবেশী ৰাজ্য দুখনৰ মাজত সীমা সমস্যা সমাধানৰ পথ প্ৰশস্ত হৈছে আৰু সীমান্তবৰ্তী অঞ্চলসমূহত শান্তি-সম্প্ৰীতিৰ নতুন বাতাবৰণৰ সৃষ্টি হৈছে বুলি তেওঁ উল্লেখ কৰে। আজি এই সমাৰোহৰ জৰিয়তে অসম আৰু অৰুণাচল প্ৰদেশৰ সীমামূৰীয়া এলেকাত উন্নয়ন আৰু ব্যৱসায় বাণিজ্য ত্বৰান্বিত কৰাৰ লগতে সীমান্তৱৰ্তী এলেকাৰ পৰ্যটন উদ্যোগক উদগনি যোগোৰাৰে প্ৰয়াস কৰা হৈছে বুলি শ্ৰী বৰাই কয়। দুয়োখন ৰাজ্যৰ শিল্পীয়ে এই সমাৰোহত পৰিৱেশন কৰা পৰম্পৰাগত সাংস্কৃতিক অনুষ্ঠানে ৰাজ্য দুখনৰ মাজত সাংস্কৃতিক সমন্বয় শক্তিশালী কৰি তোলাৰ উপৰি

জনগোষ্ঠীয় ঐক্য, সম্প্ৰীতিৰ উন্নয়ন ঘটাব বুলি মন্ত্ৰী শ্ৰী বৰাই আশা প্ৰকাশ কৰে। আজিৰ অুষ্ঠানত মন্ত্ৰী ডাঃ ৰণোজ পেগু, অৰুণাচল প্ৰদেশ বিধানসভাৰ উপাধ্যক্ষ কাৰ্ডো নিগয়ৰ, সাংসদ প্ৰদান বৰুৱা, অৰুণাচল প্ৰদেশৰ বিধায়ক তজিৰ কাডুৰ উপৰি ধেমাজি আৰু নামনি চিয়াং জিলাৰ আয়ুক্ত আৰক্ষী অধীক্ষক তথা বিভিন্ন সংগঠনৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

ooooo

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক নগেন শইকীয়াক আজি অসম সাহিত্য সভাৰ **সদসি ৰৰণ্যেঃ** সন্মান প্ৰদান কৰা হয়। অসম সাহিত্য সভাৰ সভাপতি ডং বসন্ত কুমাৰ গোস্বামীৰ পৌৰাহিত্যত আয়োজিত এটা অনুষ্ঠানত ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ ৰামেশ্বৰ লাল চহৰীয়া সংহতি ভৱনত অধ্যাপক নগেন শইকীয়াক অসম সাহিত্য সভাৰ সৰ্বোচ্চ সন্মান প্ৰদান কৰা হয়।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ পালন কৰাৰ উদ্দেশ্যে আখৰা পূৰ্ণ গতিত চলি আছে। নামঘৰ, মন্দিৰ আদিত সন্ধিয়া স্থানীয় বয়োজ্যেষ্ঠ লোক, যুৱক-যুৱতীসকলে ৰাসৰ আখৰা চলাই আছে।

মাজুলীৰ বিভিন্ন স্থানত অহা ৪ নৱেম্বৰৰ পৰা ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। আউনীআটী সত্ৰত অহা ৬ নৱেম্বৰত ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। জিলাখনৰ সত্ৰসমূহৰ লগতে বিভিন্ন স্থানত এইবাৰ মুঠ ৬৫ খন ৰাস অনুষ্ঠিত হ'ব। বহুকেইটা মঞ্চত শিশু ৰাস, মিছিং ভাষাৰ ৰাস, মহিলা শিল্পীৰ দ্বাৰা ৰাস পৰিবেশন কৰা হ'ব। যোৰহাট জিলাৰ ঢেকীয়াজুলি, বামুণপুখুৰী, শিৱসাগৰ জিলাৰ হাফলুটিং, খনামুখ আদি অঞ্চলত ৰাসৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। লখিমপুৰ, ধেমাজি জিলাৰ বিভিন্ন স্থানতো ৰাস উৎসৱৰ প্ৰস্তুতি পূৰ্ণ গতিত চলি আছে।

অসম মন্ত্ৰীসভাই ইতিমধ্যে ৰাজ্যৰ ২ হাজাৰ ১৩৫ খন ৰাস সমিতিক এককালীন আৰ্থিক সাহায্য আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি মাজুলীৰ ৬৭ খন ৰাস সমিতিক ৫০ হাজাৰ টকাকৈ আৰু ৰাজ্যৰ আন আন প্ৰান্তৰ ২ হাজাৰ ৬৮ খন ৰাস সমিতিক ২৫ হাজাৰ টকাকৈ অনুদান আগবঢ়োৱা হ'ব। চৰকাৰে ৰাস সমিতিসমূহক আৰ্থিক অনুদান আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰাত ৰাস সমিতিসমূহে সন্তোষ প্ৰকাশ কৰিছে।

ooooo

সংগীত শিল্পী ছৈয়দ ছাদুল্লাৰ ডিব্ৰুগড়ৰ নালীয়াপুলৰ বাসগৃহত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে আজি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। দুয়োগৰাকীয়ে শিল্পী ছৈয়দ ছাদুল্লাৰ প্ৰতিচ্ছৱিত শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে শিল্পীগৰাকীৰ পৰিয়ালৰ সৈতে মত বিনিময় কৰে। একেদৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়েও শিল্পীগৰাকীৰ বাসগৃহৰ উপস্থিত হৈ তেওঁলৈ শ্ৰদ্ধা নিবেদন কৰে। সাংসদ গগৈয়ে প্ৰয়াত শিল্পীগৰাকীৰ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোক-সন্তপ্ত পৰিয়ালৰ সৈতে মত বিনিময় কৰে। উল্লেখযোগ্য যে যোৱা বৃহস্পতিবাৰে আকাশবাণীৰ জনপ্ৰিয় উপস্থাপক, ঘোষক, গীতিকাৰ, সুৰকাৰগৰাকীৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হৈছিল।

ooooo

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু ঘটনাৰ সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে ছিংগাপুৰ আৰক্ষীৰ পৰা তিনিটা গুৰুত্বপূৰ্ণ তথ্য লাভ কৰিছে। এছ্ আই টিৰ মুৰববী মুন্নাপ্ৰসাদ গুপ্তাই আজি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে পাৰস্পৰিক আইনী সাহায্য চুক্তিৰ অধীনত বিশেষ তদন্তকাৰী গোটে ছিংগাপুৰ আৰক্ষীৰ পৰা কিছু তথ্য বিচাৰিছিল। ইয়াৰ ভিত্তিতে ছিংগাপুৰ আৰক্ষীয়ে বিশেষ তদন্তকাৰী গোটক এই তথ্য যোগান ধৰিছে। ছিংগাপুৰৰ আৰক্ষীয়ে জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন সন্দৰ্ভত চূড়ান্ত মতামত আগবঢ়োৱা বুলিও এছ্ আই টিৰ মুৰববীগৰাকীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে ছিংগাপুৰ বন্দৰ আৰু সামুদ্ৰিক কৰ্তৃপক্ষৰ পৰাও বিশেষ তদন্তকাৰী গোটে নথি লাভ কৰিছে। ইয়াৰ জৰিয়তে তদন্ত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সহায় হ’ব বুলিও তেওঁ উল্লেখ কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত সাক্ষ্য প্ৰদানৰ বাবে এইপৰ্যন্ত চি আই ডি কাৰ্যালয়লৈ শতাধিক লোকক মতা হৈছে বুলি তেওঁ কয়। তদন্ত প্ৰক্ৰিয়া সময়মতে সম্পূৰ্ণ কৰি বিশেষ তদন্তকাৰী গোটে অতি সোনকালে আদালতত প্ৰতিবেদন দাখিল কৰিব বুলিও শ্ৰীগুপ্তাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত